
# INAUGURATION OF COLLEGE WALL MAGAZINE ON 18TH APRIL, 2023


নিৰ্ভীক, নিৰপেক্ষ

অসমীয়া খবৰ

২০ এপ্ৰিল, বৃহস্পতিবাৰ, ২০২৩


## শৰাইঘাট কলেজৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন




**আমাৰ খবৰ, চাংসাৰি, ১৯ এপ্ৰিল ঃ** কালি চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞান' উন্মোচন কৰা হয়। অধ্যক্ষ ড° মণি শৰ্মাৰ উপস্থিতিত প্ৰাচীৰপত্ৰিকা উন্মোচন কৰে নলবাৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী ড° অমৰ কুমাৰ নায়কে। প্ৰাচীৰপত্ৰিকাখনৰ সম্পাদনাৰ দায়িত্ব পালন কৰে আলোচনী সম্পাদক অমৰজ্যোতি নাথে। অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী বৰষা নাথ আৰু ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ চিন্ময় নাথে প্ৰাচীৰপত্ৰিকা অলংকৰণ কৰি উলিয়ায়। পত্ৰিকাখনৰ তত্বাৱধায়ক হিচাপে আছে ড° ব্ৰীহিবৰ্ণা তালুকদাৰ আৰু ড° ধনেশ্বৰ কলিতা। ইংৰাজী আৰু অসমীয়া ভাষাৰ কবিতা, চুটিগল্প আৰু প্ৰবন্ধেৰে প্ৰাচীৰপত্ৰিকাখন সজাই তোলা হয়। মহাবিদ্যালয়ৰ সাহিত্যানুৰাগী শিক্ষাৰ্থীসকলে তেওঁলোকৰ সৃষ্টিৰাজিৰে পত্ৰিকাখন সমৃদ্ধ কৰিছে। পত্ৰিকাখনৰ মূল বিষয় হৈছে— ভাৰতবৰ্ষৰ স্বাধীনতাৰ মহাৰজত জয়ন্তী।